# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 21-08-2025**

**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

বিশ্বনাথ জিলাৰ চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা ৪৩৩ টা পৰিয়াললৈ জিলা প্ৰশাসনে উচ্ছেদৰ জাননী জাৰি কৰিছে। পৰিয়ালকেইটাক ১৫ দিনৰ ভিতৰত সেই ঠাই ত্যাগ কৰিবলৈ কোৱা হৈছে। জিলাখনৰ নিজ বাঘমাৰী গাঁৱৰ গোপচাৰৰ ২৬৫ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব।

ইপিনে, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দখলিকৃত ভূমি দখলমুক্ত নোহোৱা পৰ্যন্ত ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান চলাই যাবলৈ নিজৰ স্থিতিত অটল হৈ আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি বিশ্বনাথ জিলা ভ্ৰমণৰ সময়ত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এইক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট আৰু দখলিকৃত ভূমি সম্পূৰ্ণৰূপে উচ্ছেদ নোহোৱা পৰ্যন্ত অভিযান চলাই থকা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কইনাধৰাত এখন সংবাদমেল সম্বোধন কৰিব।

০০০০০০০

জ্যেষ্ঠ নাগৰিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে আজিৰ দিনটো বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস হিচাপে উদযাপন কৰা হৈছে। জ্যেষ্ঠ নাগৰিকৰ সৈতে হোৱা আতিশয্যৰ ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস উদযাপন কৰা হয়। তদুপৰি সমাজৰ প্ৰতি জ্যেষ্ঠসকলৰ অৱদানক এই দিৱস পালনেৰে স্বীকৃতি দিয়াৰ প্ৰয়াস কৰা হয়। ভাৰতত এই দিৱস পালনে বিশেষ গুৰুত্ব বহন কৰিছে। ২০২০ চনত জনসংখ্যা সম্পৰ্কীয় এটা জৰীপৰ তথ্য অনুসৰি ২০৩১ চনলৈ দেশৰ জ্যেষ্ঠ নাগৰিকৰ সংখ্যা ১৯৩ নিযুতৰো অধিক হ'বগৈ। ২০১১ চনৰ লোকপিয়ল অনুসৰি এই সংখ্যা আছিল ১০৩ নিযুত। মুঠ জনসংখ্যাৰ ভালেসংখ্যক লোক জ্যেষ্ঠ নাগৰিক হোৱা হেতুকে ভাৰতত এই লোকসকলৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে জ্যেষ্ঠ নাগৰিকসকলৰ সুবিধাৰ্থে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত অটল ৱায়ো অভ্যুদয় যোজনা চমুকৈ অব্যয়ৰ অধীনত গৃহহীন জ্যেষ্ঠ নাগৰিকৰ বাবে আশ্ৰয়গৃহ আৰু স্মৃতিভংশ ৰোগত আক্ৰান্ত জ্যেষ্ঠ নাগৰিকৰ বাবে যতন গৃহৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সহযোগত এই লোকসকলৰ শাৰিৰীক, মানসিক, আবেগিক আৰু বিত্তীয় সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে জ্যেষ্ঠজনলৈ সন্মান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে জ্যেষ্ঠ নাগৰিকসকলক সমাজৰ বটবৃক্ষ স্বৰূপ বুলি অভিহিত কৰিছে। তেওঁ কয়, যে জ্যেষ্ঠ নাগৰিকসকলৰ জ্ঞান, অভিজ্ঞতা, দিহা-পৰামৰ্শই জনসাধাৰণৰ জীৱন সমৃদ্ধ কৰি তোলে আৰু জীৱনৰ বাটত আগুৱাই যাবলৈ প্ৰেৰণা যোগায়।

০০০০০০০০

অসম আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতক পৰিচৰ্যা গোট এন আই চি ইউ -ত এটি ১৫ দিনীয়া নৱজাতকৰ মৃত্যু সংক্ৰান্তত আটক কৰা এন আই চি ইউৰ ভাৰপ্ৰাপ্ত নাৰ্ছ ভানুপ্ৰিয়া মিছঙক তিনিদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। তদন্ত কমিটীয়ে আজি ভঙাগড় থানালৈ আহি ঘটনাটো চালি-জাৰি চাব।

০০০০০০০

পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি সামৰণি সন্ধিয়া নাট্যকাৰ সপোনজ্যোতি ঠাকুৰ আৰু সীমান্ত ফুকনৰ পৰিচালনাৰে ডেৰগাঁৱৰ নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীয়ে **চন্দ্ৰপ্ৰভা** নাটখন মঞ্চস্থ কৰিব।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত কালি কৰুণা ডেকা ৰচিত আৰু গুণাকৰ দেৱ গোস্বামী পৰিচালিত নাট **অম্বিকাগিৰী অনিৰ্বাপিত একুৰা জুই** মঞ্চস্থ কৰা হয়। গুৱাহাটীৰ পূৰ্বৰংগ গোষ্ঠীয়ে পৰিবেশন কৰা এই নাটখনত স্বাধীনতা সংগ্ৰামীৰূপে অম্বিকাগিৰি ৰায়চৌধুৰীৰ বিপ্লৱী চেতনা আৰু বীৰগাথাক সুন্দৰভাৱে মঞ্চস্থ কৰা হয়। কালিৰ নাট্যানুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নৃত্যাচাৰ্য্য যতীন গোস্বামীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত এই চতুৰ্থ স্তম্ভৰ লগতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি ? বা সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি অহা শনিবাৰ-২৩ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব একালত সক্ৰিয় সাংবাদিকতাত জড়িত কেইগৰাকীমান বিশিষ্ট সাংবাদিকক।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত পৰহিলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ’ব। খেলখন কলকাতাৰ ছল্ট লেক যুব ভাৰতী ক্ৰীড়াংগনত খেলোৱা হ’ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে কালি কলকাতাৰ বিবেকানন্দ যুব ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও

তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

**সমাপ্ত**